পোৱা যায়। তাৰ বজা হৰ্জৰপালে (১১শ শতিকা) যদিও প্ৰশস্তি শ্লোকত পশুপতি প্ৰজাধিনাথ'ক আহ্বান জনাইছে, তথাপি সেই ফলিত বৈষ্ণৱ প্ৰতীকৰ চিত্ৰ শঙ্খ, চক্ৰ, পদ্ম আৰু গৰুড় খোদিত কৰা হৈছে। 'কালিকা-পুৰাণ'তো কেইবাটাও ধৰ্মৰ সমন্বয়ৰ আভাস পোৱা যায়।

'কালিকা-পুৰাণ'খন মুখ্যতঃ দেৱী-মাহাত্ম্য আৰু দেৱী-পূজাৰ আচাৰ-নীতি বিষয়ক গ্ৰন্থ যদিও তাত শিৱ, বিষ্ণু আৰু অন্যান্য দেব-দেৱীৰো পূজা- পদ্ধতিৰ বিৱৰণ দিয়া হৈছে। আনকি পুৰাণখনৰ প্ৰথম শ্লোকটিত 'হৰিপাদসৰোজযুগ্মকহে' বন্দনা কৰা হৈছে। দ্বিতীয় শ্লোকটিত 'বিষ্ণুমায়া' নামে খ্যাত ভগৱতীক প্ৰাৰ্থনা জনোৱা হৈছে। হিন্দুধৰ্ম মতে সৃষ্টিৰ মূলত ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ এই ত্ৰিশক্তিৰ যি ধাৰণা কৰা হৈছে, সেই ত্ৰিশক্তিকো 'কালিকা-পুৰাণে' মানি লৈছে। 'কালিকাপুৰাণ'ৰ অশী-তিতম অধ্যায়ত কোৱা হৈছে যে, ব্ৰহ্মাৰ লগত বিষ্ণু আৰু শিৱক পূজা কৰিব লাগে (পাৰ্শ্বয়োঃ শঙ্কৰং বিষ্ণু পূজনে পূজয়েৎপূৰ্বং ॥৮৪)। অইন এখন শাক্তগ্ৰন্থ 'যোগিনী-তন্ত্ৰ'তো শিৱ-শক্তিৰ উপৰি বিষ্ণুৰো গুণ-গান গোৱা হৈছে। এই নিদৰ্শনবোৰৰ পৰা সহজেই অনুমান কৰিব পাৰি যে প্ৰাচীন কালৰে পৰা অসমৰ বিভিন্ন ধৰ্মৰ মাজত পৰস্পৰৰ সহনশীলতা তথা সৌহাৰ্দ্য আছিল।

শঙ্কৰোত্তৰ কালত অসমত শৈৱধৰ্ম সম্পৰ্কীয় পূজা, আচাৰ, অনুষ্ঠান আদি চলি থাকিলেও শৈৱ ধৰ্মই যি কোনো কাৰণত স্বকীয়া অস্তিত্ব দাবী নকৰাত ই প্ৰায়ে শাক্ত ধৰ্মৰ লগত নিমজ্জিত হ'ল। ফলত আগেয়ে কোনোবা শৈৱধৰ্মী লোক থাকি-লেও তেওঁ হয় শাক্ত নহয় বৈষ্ণৱ ধৰ্মীৰ লগত মিলি গ'ল। আনহাতে শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মত তন্ত্ৰ-মন্ত্ৰ, বলি-বিধান, মূৰ্ত্তি-পূজা আদিৰ ঠাইত প্ৰধানকৈ নাম-কীৰ্ত্তনে প্ৰাধান্য লাভ কৰাত বৈষ্ণৱ ধৰ্মৰ লগত শাক্ত আৰু শৈৱধৰ্মৰ পাৰ্থক্যটো আৰু বেছি সুস্পষ্ট হৈ ওলাই পৰিল। সেইহে ধৰ্মৰ নামত থকা